জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮৯/২০২০

# ৰাজ্য চৰকাৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা কাতি বিহু উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

## তুলসীৰ তলত, ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰিলে মুখ্যমন্ত্ৰীয়ে

## কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দৰং জিলাৰ মঙলদৈৰ বামুণপাৰা-মনপুৰ পথাৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা কাতি বিহু উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। দৰং জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে তুলসীৰ তলত চাকি জ্বলাই সেৱা লোৱাৰ লগতে ধাননি পথাৰত বন্তি প্ৰজ্বলন কৰে তথা আকাশ বন্তিও প্ৰজ্বলন কৰে। কাতি বিহু উদযাপন উপলক্ষে বামুণপাৰা-মনপুৰ পথাৰত আজি এক হাজাৰ মহিলাই বন্তি প্ৰজ্বলন কৰি এক নান্দনিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে।

কাতি বিহু উদযাপন অনুষ্ঠানত সমবেত ৰাইজক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া জাতিৰ সাংস্কৃতিক জীৱনধাৰাক উজ্জীৱিত কৰাৰ ক্ষেত্ৰত কাতি বিহুৱে অনন্য অৰিহণা যোগাই আহিছে। অসমীয়া কৃষ্টি-সংস্কৃতিৰ সেউজ পথাৰখনক অধিক বিকশাই তোলাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। কাতি বিহুৰ বাবে খেতিয়ক তথা অসমবাসীক শুভেচ্ছা জনাই মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৬ চনৰ পৰা বৰ্তমানৰ ৰাজ্য চৰকাৰে কাতি বিহু চৰকাৰীভাৱে পালন কৰি আহিছে। তেওঁ কয় যে খেতিয়কসকলৰ উৎপাদন বৃদ্ধিৰ জৰিয়তে উপাৰ্জন বৃদ্ধিৰ বিষয়টোক ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দি বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে। ২০২২ চনৰ ভিতৰত খেতিয়কৰ উৎপাদন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰেও অসমৰ খেতিয়কৰ উৎপাদন বৃদ্ধিৰ বাবে আধুনিক কৃষি পদ্ধতিৰ সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আৰম্ভ কৰি কৃষক ৰাইজক ট্ৰেক্টৰকে ধৰি বিভিন্ন কৃষি সা-সঁজুলি প্ৰদানৰ পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডৰ পৰিৱৰ্তন সাধন কৰাৰ বাবে ছয়েল হেল্‌থ কাৰ্ড, ফচল বীমা যোজনা, পি

এম কিষাণ নিধিৰ লেখীয়া বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়াৰ লক্ষ্যৰে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী ইতিমধ্যে গ্ৰহণ কৰিছে।

আজিৰ এই অনুষ্ঠানত জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভৱেশ কলিতা, সাংসদ দিলীপ শইকীয়া, হাউছফেডৰ অধ্যক্ষ তথা বিধায়ক ৰঞ্জিত দাস, বিধায়কদ্বয় গুৰুজ্যোতি দাস আৰু বিনন্দ শইকীয়া, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্তমল্ল বৰুৱা, জিলা উপায়ুক্ত দিলীপ কুমাৰ বৰা, আৰক্ষী অধীক্ষক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ**
**১৭/১০/২০২০**